**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-JAN-2026
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
***Headlines***

-------------------------------

১। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তৰ উত্তৰ গুৱাহাটীৰ ৰংমহলত আজি সংহত ন্যায়িক প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি।

৩। মাঘ বিহুৰ উৰুকালৈ মাজত এটা দিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ বাবে ব্যাপক প্ৰস্তুতি

**আৰু**

৪। গুজৰাটৰ বডোডৰাত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া ক্ৰিকেট শৃংখলাৰ আজি প্ৰথমখন এদিনীয়া।

০০০০০০

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তে আজি উত্তৰ গুৱাহাটীৰ ৰংমহলত আজি সংহত ন্যায়িক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই অনুষ্ঠানত আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্জ্বল ভূঞা, সন্দীপ মেহতা, এন কৌটিশ্বৰ সিং, বিজয় বিষ্ণয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ উপস্থিত থাকিব। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আন ২৪ গৰাকী ন্যায়াধীশেও অংশগ্ৰহণ কৰিব। এই সন্দৰ্ভত আমাক সবিশেষ জনাব কামৰূপৰ সংবাদদাতা কৌশিক দাসে-

**বাইট (কোশিক)**

ৰাজ্যৰ আইন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰত মুখ্য ন্যায়াধীশ সূৰ্যকান্তক আদৰণি জনায়। ইয়াৰ পাছতে মুখ্য ন্যায়াধীশগৰাকীৰ সন্মানাৰ্থে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। সাংস্কৃতিক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগতে উচ্চতম ন্যায়ালয়ৰ কেইবাগৰাকীও ন্যায়াধীশ আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ উপস্থিত থাকে।

উল্লেখযোগ্য যে ৰাজ্যৰ অধিবক্তা সমাজে গুৱাহাটী উচ্চ ন্যায়ালয়ক উত্তৰ গুৱাহাটীলৈ স্থানান্তৰৰ বিৰোধিতা কৰি আহিছে। এই সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থাই গণতান্ত্ৰিক প্ৰতিবাদ কৰি আহিছে।

০০০০০০

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী পথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰিব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। অধিৱেশন উপলক্ষে কিছু সময় পাছতেই বাৰে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। উল্লেখযোগ্য যে, এই অধিৱেশনলৈ চুবুৰীয়া ৰাষ্ট্ৰ নেপাল, ভূটানৰ উপৰি দেশৰ বিভিন্ন প্ৰান্তৰ লোকৰ সমাগম হৈছে। আজিও অধিৱেশনথলীত বহু লোক উপস্থিত হোৱাৰ লগতে বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে।

০০০০০০

মাঘ বিহুৰ উৰুকালৈ মাজত এটা দিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে। চৰাইদেউ জিলাৰ সোণাৰীত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলা অনুষ্ঠিত

হৈছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান চৰাইদেউ জিলা শাখাৰ উদ্যোগত অনুষ্ঠিত এই ভোগালী মেলাত ২৮ টা আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে।

ডিব্ৰুগড় জিলাৰ নাহৰকটিয়া সমষ্টিৰ নামৰূপ গাওঁ পঞ্চায়তৰ আত্মসহায়ক গোটসমূহৰ সহযোগত কালিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে।

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান কামৰূপ মহানগৰ জিলাৰ উদ্যোগত উজানবজাৰৰ সতী ৰাধিকা শান্তি উদ্যানতো অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। আজি সামৰণি পৰিবলগীয়া এই মেলাত মহিলাসকলে প্ৰস্তুত কৰা লাৰু, পিঠা, জহা চাউল, বৰা চাউলৰ লগতে বিভিন্ন থলুৱা খাদ্য উপলব্ধ হৈছে। গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰী পাৰৰ সমীপৰ লক্ষ্মীনাথ বৰা ক্ষেত্ৰ, খানাপাৰা আদি স্থানতো ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত ভোগালী মেলা অনুষ্ঠিত হৈছে।

ভোগালী বিহুৰ পূৰ্বে দৰং জিলাৰ মঙলদৈৰ জলজলি প্ৰাথমিক  বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিক্ৰেতা ৰূপত দেখিবলৈ পোৱা গৈছে। বজাৰ সম্পৰ্কে ব্যৱহাৰিক জ্ঞান প্ৰদানৰ লক্ষ্যৰে ভোগালীৰ খাদ্য সম্ভাৰ লৈ ছাত্ৰ-ছাত্ৰীসকলে বিপনী দিয়ে।

ভোগালী বিহুৰ প্ৰাকক্ষণত মাজুলীত অসমী ভোগালী মেলা ২০২৬ অনুষ্ঠিত হৈছে। টুনী নদীৰ পাৰত অনুষ্ঠিত এই মেলাৰ আজি সামৰণি পৰিব। ৰাজ্যৰ আন আন প্ৰান্ততো ভোগালী মেলা অনুষ্ঠিত হৈছে।

০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউবাসীৰ সহযোগত শুকুৰবাৰৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত চৰাইদেউ মহোৎসৱৰ আজি সামৰণি পৰিব। এই মহোৎসৱ উপলক্ষে অঞ্চলটোত বহু দেশী-বিদেশী পৰ্যটকৰ সমাগম হৈছে। কালি দ্বিতীয় দিনা প্ৰতিকী ৰূপত স্বৰ্গদেউৰ শোভাযাত্ৰা আৰু ৰাজসভা অনুষ্ঠিত হয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত আয়োজিত এই মহোৎসৱৰ কালি শোভাযাত্ৰাই সকলোকে আপ্লুত কৰে। সহস্ৰাধিক লোকৰ উপস্থিতিত চৰাইদেউত প্ৰতিকী ৰাজসভা অনুষ্ঠিত হয়। টাই-আহোমসকলৰ পৰম্পৰাগত ৰীতি-নীতিৰে স্বৰ্গদেউক আদৰণি জনোৱা হয়। উল্লেখযোগ্য যে, চৰাইদেৱে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা লাভ কৰাৰ পাছত এই মহোৎসৱে অঞ্চলটোৰ পৰ্যটন আৰু সংস্কৃতিৰ ক্ষেত্ৰলৈ নতুন সম্ভাৱনা কঢ়িয়াই আনিছে। তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত চৰাইদেউ মহোৎসৱ এইবাৰ এখন বৃহৎ আকাৰৰ কেনভাছে আকৰ্ষণীয় কৰি তুলিছে। কেনভাছখনত চীনৰ য়ুন্নান প্ৰদেশৰ মাউলুঙৰ পৰা সুদূৰ পাটকাই পৰ্বত অতিক্ৰমী চাউলুং চ্যুকাফাৰ অসম আগমণৰ ছবি শিল্পীৰ তুলিকাত প্ৰাণ পাই উঠিছে।

০০০০০০

ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ প্ৰশান্ত দিহিঙ্গীয়াক পশ্চিমবংগস্থিত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান - এইমছ কল্যাণী প্ৰতিষ্ঠান সংস্থাৰ সদস্য হিচাপে মনোনীত কৰা হয়। ডাঃ দিহিঙ্গীয়াই এই দায়িত্ব লাভ কৰা অসমৰ প্ৰথমগৰাকী চিকিৎসক। এইগৰাকী গৱেষক চিকিৎসকে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক হিচাপে সেৱা আগবঢ়োৱাৰ পাছত মেডিচিন বিভাগত মুৰব্বী অধ্যাপক হিচাপে যোগদান কৰে। ডাঃ দিহিঙ্গীয়াৰ এই স্বীকৃতিৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাকে ধৰি অধ্যাপক-অধ্যাপিকাসকলে অভিনন্দন জ্ঞাপন কৰে।

০০০০০০

ডিব্ৰুগড় জিলা দুৰ্যোগ ব্যৱস্থা প্ৰাধিকৰণ আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থা প্ৰাধিকৰণৰ সহযোগত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত নাহৰকটীয়া ৰাজহ চক্ৰৰ জৰুৰীকালীন অনুশীলনৰ কালি সামৰণি পৰে। তৃণমূল পৰ্য্যায়ত দুৰ্যোগ মোকাবিলা সক্ষমতা বৃদ্ধি আৰু সমাজৰ সকলো স্তৰত সজাগতা সৃষ্টি কৰাই এই অনুশীলনৰ মূল উদ্দেশ্য। যোৱা ৮ জানুৱাৰীত চক্ৰ বিষয়া শৰৎ গগৈ আৰু ক্ষেত্ৰ বিষয়া ছয়নিকা ফুকনে এই অনুশীলন কাৰ্যসূচী উদ্বোধন কৰে। শিশুকেন্দ্ৰিক জৰুৰীকালীন প্ৰস্তুতি, জৰুৰীকালীন স্বাস্থ্য আৰু অনাময়, প্ৰাথমিক সন্ধান আৰু উদ্ধাৰ অভিযানৰ লগতে সাহায্য ব্যৱস্থাপনা আদি বিষয়সমূহ এই অনুশীলন কাৰ্যসূচীত সামৰি লোৱা হয়। প্ৰশিক্ষণত বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, এছ ডি আৰ এফ, আপদমিত্ৰ, চি কিউ আৰ টি, চিভিল ডিফেন্সৰ স্বেচ্ছাসেৱক, আশা আৰু অংগনৱাড়ী কৰ্মী, বিভিন্ন বেচৰকাৰী সংস্থাৰ

প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। দীঘলীবিল গাঁৱত কালি মকড্ৰিল অনুষ্ঠিত হয়। এই অনুশীলনত প্ৰশিক্ষিত স্বেচ্ছাসেৱক আৰু উদ্ধাৰকাৰী দলে বানপানীৰ সময়ত উদ্ধাৰ অভিযান, চিকিৎসা সহায় প্ৰদানৰ অনুশীলন কৰি দেখুৱায়।

০০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনাত ৫ জানুৱাৰীৰ পৰা ছদিনীয়াকৈ অনুষ্ঠিত ষষ্ঠ ঢকুৱাখনা গ্ৰন্থমেলাৰ কালি সামৰণি পৰে। এই গ্ৰন্থমেলাত অসম তথা উত্তৰ-পূবৰ কেইবাটাও আগশাৰীৰ পুথি প্ৰকাশক আৰু বিক্ৰেতা প্ৰতিষ্ঠানে অংশ লয়। গ্ৰন্থমেলাৰ প্ৰতিটোদিনতে ঢকুৱাখনা সমজিলাৰ অন্তৰ্গত শিক্ষানুষ্ঠানসমূহৰ শিক্ষাৰ্থীসকলৰ মাজত সাহিত্য প্ৰতিযোগিতা, চিত্ৰ প্ৰদৰ্শনী, সাংস্কৃতিক অনুষ্ঠান, লেখকসকলৰ মত বিনিময় আৰু আলোচনা চক্ৰ অনুষ্ঠিত হয়।

০০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত অবৈধ সুৰাৰ বিৰুদ্ধে চলোৱা অভিযানত কালি বেজৰপথাৰ, ৰংৰঙীয়া আৰু শিঙৰাজানত যথেষ্ট পৰিমাণৰ সুৰা জব্দ কৰা হয়। আৰক্ষীয়ে এই অঞ্চলসমূহত অভিযান চলাই ৩৫০ লিটাৰ দেশী সুৰা নষ্ট কৰাৰ লগতে বুজন পৰিমাণৰ বিদেশী সুৰাও জব্দ কৰে।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি গুজৰাটৰ বড়োডৰাত অনুষ্ঠিত হ'ব। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। ৰোহিত শৰ্মা আৰু বিৰাট কোহলিক শৃংখলাটোৰ বাবে দলত অন্তৰ্ভুক্ত কৰা হৈছে। ঋষভ পণ্টক আঘাটৰ বাবে শৃংখলাৰ পৰা বাদ দিয়া হৈছে। শুভমন গিলে এই শৃংখলাত ভাৰতীয় দলৰ নেতৃত্বৰ দায়িত্ব বহন কৰিব।

শৃংখলাৰ দ্বিতীয়খন খেল অহা ১৪ জানুৱাৰীত ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত আৰু তৃতীয়খন খেল ১৮ জানুৱাৰীত ইন্দোৰৰ হোলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**